**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

নং ঃ ৫৮১/২০১৯

# পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ ধৃতি বৰ্ত্তনা মহোৎসৱত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ আদৰ্শৰে অসমবাসীয়ে সমন্বয়ৰ শক্তিশালী সমাজ নিৰ্মাণ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ ডিচেম্বৰ ঃ** ‘পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ আদৰ্শৰে মহান মানৱীয় অনুভূতিৰে মিলিত হৈ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ অসমবাসীয়ে সমন্বয়ৰ শক্তিশালী সমাজ নিৰ্মাণ কৰিব লাগিব, য'ত থাকিব শান্তি-সম্প্ৰীতি, ভাতৃত্ববোধ আৰু বন্ধুত্ব।’ আজি নগাওঁ জিলাৰ কলিয়াবৰৰ মৌচন্দা পথাৰত আয়োজিত পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ ধৃতি বৰ্ত্তনা মহোৎসৱত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মানুহ হিচাপে আমাৰ সামাজিক দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ হ'লে গুৰুৰ শৰণাপন্ন হ'ব লাগিব। গুৰুৰ গুণানুকীৰ্তন কৰিব লাগিব। তেখেতে কয় যে প্ৰতিগৰাকী ব্যক্তি হৈছে ঈশ্বৰৰ ৰূপ। মানুহৰ হৃদয়ত ঈশ্বৰে বাস কৰে। ঈশ্বৰৰ সেই ৰূপ জগাই তোলাৰ বাবে প্ৰত্যেক ব্যক্তিয়ে গুৰুৰ বাণী নিষ্ঠাৰে গ্ৰহণ কৰিব লাগিব। তেতিয়াহে মানুহৰ মাজত শান্তি, সম্প্ৰীতিৰে পূৰ্ণ শক্তিশালী সমাজ নিৰ্মাণ হ'ব বুলি তেখেতে কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে আশা প্ৰকাশ কৰে যে শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ আদৰ্শৰে পৃথিৱীৰ বুকুত অসমক মহান ভূমি হিচাপে গঠনৰ বাবে ৰাজ্যবাসী প্ৰতিজ্ঞাৱদ্ধ হ'ব।

ভক্তিভাৱে মানুহৰ হৃদয়ত ভালপোৱাৰ ভাৱ সৃষ্টি কৰিব পাৰে আৰু ভাল সমাজ গঢ়িব পাৰে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে ভক্তিভাৱৰে ৰাজ্যবাসীক সমাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ আগুৱাই যাবলৈ আহ্বান জনায়। তেখেতে কয় যে ৰাজ্যবাসীয়ে উমৈহতীয়া প্ৰচেষ্টাৰে সমাজৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু মনৰ মলীনতা আঁতৰাই সংস্কাৰ অনাৰ বাবে প্ৰয়াস কৰিব লাগিব।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভক্তিৰ শক্তি আৰু মাহাত্ম্য আমাক দেখুৱাই গৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ভক্তিত শক্তি আছে, ভক্তিত শান্তি আছে আৰু ভক্তিত মানৱ প্ৰেম আছে। তেখেতে লগতে কয় যে শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰইও এই মানৱীয় বাণীৰে উদ্বুদ্ধ হৈ মানৱ সেৱাত আত্ম-নিয়োগ কৰিবলৈ তথা এখন শক্তিশালী সমাজ গঢ়িবলৈ আমাক বাট দেখুৱাই গৈছে। মুখ্যমন্ত্ৰী সোণোৱালে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ অসমবাসীয়ে সমন্বয়ৰ ধাৰা শক্তিশালীভাৱে বোৱাবলৈ সংকল্প ল'ব লাগিব বুলিও কয়। তেখেতে আশা প্ৰকাশ কৰে যে ধৃতি বৰ্ত্তনা মহোৎসৱৰ এই মহামিলনে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ইতিবাচক প্ৰভাৱ পেলাব।

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

ধৃতি বৰ্ত্তনা মহোৎসৱত ভাষণ প্ৰদান কৰি বিত্ত আৰু স্বাস্থ্য বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক নিজৰ আদৰ্শৰ সৈতে মিলন ঘটাই এখন প্ৰেমময় সমাজ গঠনৰ বাবে ১৯৫১ চনতে তেখেতৰ অনুগামী সকলক নিৰ্দেশনা দিছিল। শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ আদৰ্শৰ মাজত সমাজে জীৱন বৃদ্ধিৰ আদৰ্শ লাভ কৰিব পাৰিছে। তেখেতৰ আদৰ্শই শক্তিশালী পৰিয়াল সৃষ্টিৰে শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণৰ বাট দেখুৱাইছে।

ভাৰতীয় পৰম্পৰাই গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু আৰু গুৰু মহেশ্বৰৰ আদৰ্শ দি গৈছে বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰই ব্যক্তি আৰু সমাজৰ আমূল পৰিৱৰ্তনত বিশ্বাস কৰিছিল। তেখেতে কয় যে সুস্থ পৰিয়াল নাথাকিলে সুস্থ সমাজ নিৰ্মাণ নহয় তথা গুৰু আৰু মাতৃ-পিতৃক মানি চলিলেহে সমাজত শান্তি বিৰাজ কৰে। মন্ত্ৰী গৰাকীয়ে লগতে কয় যে বিভিন্ন প্ৰান্তত থকা সৎসঙ্গ সমূহে ভাল মানুহ নিৰ্মাণৰ কাৰখানা ৰূপে নিজকে গঢ়ি তুলিছে।

জলসম্পদ মন্ত্ৰী তথা ধৃতি বৰ্ত্তনা মহোৎসৱৰ আয়োজক সমিতিৰ সভাপতি কেশৱ মহন্তই উদ্বোধনী ভাষণ প্ৰদান কৰা এই সভাত আদৰণি ভাষণ প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা কাৰ্যকৰী সভাপতি ড° ভৰেন তাঁতিয়ে। সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত দাসেও সভাত ভাষণ প্ৰদান কৰে।

বিজনি সমষ্টিৰ বিধায়ক তথা এই মহোৎসৱৰ সাধাৰণ সম্পাদক কমল সিং নাৰ্জাৰীয়ে শলাগৰ শৰাই আগবঢ়োৱা এই সভাত বিধায়কসকল ক্ৰমে অশোক শৰ্মা, অশ্বিনী ৰয় সৰকাৰ আৰু ৰূপক শৰ্মা প্ৰমুখ্যে মহোৎসৱৰ বিষয়ববীয়া তথা শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ বহু অনুগামী উপস্থিত থাকে।

এই সভাৰ পূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ প্ৰতিচ্ছবিত সেৱা জনোৱাৰ লগতে পৰম পুজ্যপদ শ্ৰীশ্ৰীববাই দাৰ সৈতেও মত বিনিময় কৰে।

**বীঃগঃ**
**৮/১২/২০১৯**